بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## খন্দকৰ যুদ্ধৰ পৰিঘটনাত আঁহজৰত (ছাঃ)ৰ জীৱন পৰিক্ৰমা সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৬ চেপ্টেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشۡهَدُ أَنۡ لَا إِلٰهَ إِلَّا اللّٰهُ وَحۡدَهٗ لَا شَرِيۡكَ لَهٗ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهٗ وَرَسُوۡلُهٗ اَمَّا بَعۡدُ فَاَعُوۡذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ ۔ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি মই খন্দকৰ যুদ্ধ যাক আহযাবৰ যুদ্ধ বুলিও কোৱা হয়, তাৰে ঘটনাৱলী সম্পৰ্কে বৰ্ণনা কৰিম। এই যুদ্ধ ৫ হিজৰী অনুসৰি ৬২৭ খৃষ্টাব্দৰ ফেব্ৰুৱাৰী অথবা মাৰ্চ মাহত সংঘটিত হৈছিল।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে ছুৰাতুল আহযাবৰ আয়াত নম্বৰ ১০ ৰ পৰা লৈ ২৬ নম্বৰলৈকে পাঠ কৰে আৰু ইয়াৰ অনুবাদ পঢ়ি শুনায়।

অনুবাদ পাঠ কৰাৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে এই যুদ্ধৰ মূল কাৰণ বৰ্ণনা কৰোঁতে কয় যে এই যুদ্ধক খন্দকৰ যুদ্ধ বুলি কোৱাৰ কাৰণ হ'ল যুদ্ধৰ প্ৰাক মুহূৰ্তত আৰবৰ নিয়ম বহিৰ্ভুত ভাৱে মুছলমান সকলে প্ৰথমে নলা খান্দি নিজৰ চহৰখন ৰক্ষা কৰাৰ উপায় উদ্ভাৱন কৰে। এনেদৰে এই যুদ্ধক আহযাবৰ যুদ্ধ বুলিও কোৱা হয় আৰু কোৰাণ কৰিমত এই যুদ্ধক আহযাবৰ যুদ্ধ বুলি উল্লেখ কৰিছে।

হাযাব শব্দৰ বহুবচন হ'ল আহযাব, যাৰ শাব্দিক অৰ্থ হ'ল জামাত আৰু দল। যিহেতু এই যুদ্ধত আৰবৰ বিভিন্ন জামাত আৰু দলবোৰে একেলগ হৈ মুছলমান সকলৰ ওপৰত আক্ৰমণ চলাইছিল সেয়ে এই যুদ্ধক আহযাবৰ যুদ্ধ বুলি কোৱা হয়। এই যুদ্ধৰ মূল কাৰণ আছিল চাৰি হিজৰীৰ ৰবিউল আউৱাল মাহত ইহুদী কবিলা বনু নজিৰে চুক্তি ভঙ্গ কৰি বিদ্ৰোহ আৰম্ভ কৰে আৰু নবী কৰিম (ছাঃ)ক হত্যা কৰাৰ ষড়যন্ত্ৰ চলায়, সেয়ে এওঁলোকক মদিনাৰ পৰা সপৰিবাৰে খেদি পঠোৱা হৈছিল আৰু এওঁলোকে গৈ খয়বৰ নামক ঠাইত বসতি স্থাপন কৰে। ইয়াৰে চাৰিটা মাহ পাৰ নহওঁতেই অকৃতজ্ঞ ষড়যন্ত্ৰকাৰী ইহুদী সকলে আঁহজৰত (ছাঃ) আৰু ইছলামৰ বিৰুদ্ধে এটা ভয়ানক পৰিকল্পনা ৰচনা কৰে। গতিকে তেওঁলোকৰ চৰদাৰ হুইয়ে বিন আখতাব নিজৰ লগৰীয়া

সকলক লৈ মক্কাত গৈ উপস্থিত হয় আৰু আবু ছুফিয়ান আৰু অন্যান্য কুৰাইছ্‌ নেতা সকলক লগ ধৰে, আৰু মুছলমান সকলৰ বিৰুদ্ধে তেওঁলোকক সহায় কৰিব বুলি কথা দিয়ে। ইহুদী সকলে পৰামৰ্শ দিয়ে যে আমি সকলোৱে মিলি মুছলমান সকলৰ বিপক্ষে এটা চুক্তি সাব্যস্ত কৰি লোৱা উচিত। আবু ছুফিয়ানে ইহুদী চৰদাৰক স্বাগত জনায় আৰু কয় যে তোমালোকে মোৰ ঘৰত আহিছা আৰু সকলোৰে মাজত তেওঁ হ'ল মোৰ প্ৰিয় বন্ধু, যিজনে মহম্মদ (ছাঃ)ৰ বিৰুদ্ধে আমাক সহায় কৰে।

কুৰাইছ্‌ সকলৰ লগত য়ড়যন্ত্ৰৰ মিল-মিলাপ হৈ যোৱাৰ পিছত ইহুদী সকলৰ এই দলটোৱে আৰবৰ আন আন কবিলা বিলাকৰ ওচৰলৈ যায়। তাতে পোনপ্ৰথমে এওঁলোকে বনু গোথফানৰ ওচৰলৈ যায়। এই কবিলাৰ লোকেও মুছলমান সকলৰ লগত শত্ৰুতা ৰাখিছিল। ইহুদী সকলে গৈ এই কবিলাৰ লোক সকলক নিজৰ ফলীয়া কৰি ল'বলৈ নানা কথাৰে উচটনী দিয়ে আৰু ইয়াৰ ওপৰি খয়বৰত থকা খেজুৰ বাগানৰ এবছৰৰ খেজুৰ গোথফান কবিলাক দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

বনু গোথফানৰ লোকে ইহুদী সকলক সহায় কৰিবলৈ সিদ্ধান্ত লয় আৰু নিজৰ ফালৰ পৰা ছয় হাজাৰ সৈন্যৰ সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ পিছত ইহুদী সকলৰ এই দলটোৱে বনু ছুলায়েমৰ ওচৰত যায় যিসকলে আগৰে পৰাই মুছলমান সকলৰ ওপৰত আক্ৰমণ চলোৱাৰ প্ৰস্তুতি লৈ আছিল। কিন্তু তেওঁলোকে কোনো সুযোগ পোৱা নাছিল। সেয়ে এওঁলোকে ইমান ডাঙৰ আক্ৰমণৰ কথা গম পাই আনন্দেৰে ইহুদী সকলৰ লগত যোগ দিয়ে। এনেদৰে বনু ফুজ্জাৰাই নিজৰ চৰদাৰ আয় ইয়ানাৰ নেতৃত্বত ৰছুলুল্লাহ (ছাঃ)ৰ লগত যুঁজ দিবলৈ আগবাঢ়ি আহে। চৰদাৰ আয়ইয়ানা নিজৰ বন্ধু কবিলা বনু আছাদক আমন্ত্ৰণ জনায়। এনেদৰে এওঁলোকেও এই যুদ্ধত মুছলমান সকলৰ বিৰুদ্ধে যুঁজিবলৈ সাজু হৈ যায়। লাহে লাহে আৰু অন্যান্য কিছুমান কবিলাও ইহুদী সকলৰ লগত একগোট হৈ পৰে। এই সকলোবিলাক কবিলাই নিজৰ বীৰত্ব আৰু যুদ্ধ পাৰ্গতালিৰ কাৰণে জনাজাত আছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ) য়ে কৈছে যে যিহেতু ইহুদী সকল বৰ চতুৰ লোক আছিল আৰু এনে ধৰণৰ ষড়যন্ত্ৰ মূলক কাৰ্যত বৰ পাৰ্গত আছিল। গতিকে তেওঁলোকৰ বিবাদি প্ৰচেষ্টা সফল হয় আৰু আৰবৰ কবিলা বিলাক একগোট হৈ মুছলমান সকলৰ বিৰুদ্ধে ময়দানত নামি আহে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই বিষয়ে কৈছে যে খয়বৰ আৰবৰ এটা ডাঙৰ কেন্দ্ৰস্থল আছিল আৰু এই চহৰখন এটা দুৰ্গৰ ভিতৰত অৱস্থিত আছিল। উক্ত চহৰত গৈ বনু নজিৰে মুছলমান সকলৰ বিৰুদ্ধে গোটেই আৰবত উচটনী মূলক কাৰ্য কৰিবলৈ আৰম্ভ কৰে।

এটা সময়ৰ দীঘলীয়া প্ৰস্তুতিৰ পিছত গোটেই আৰবৰ সকলোবিলাক শক্তিশালী কবিলা বিলাকৰ মাজত একতাৰ ভিত্তি ৰচিত হয়। এই একতাত মক্কা আৰু ইয়াৰ ওচৰে-পাজৰে থকা কবিলা বিলাকেও চামিল হৈছিল। এওঁলোকৰ লগত নজদ আৰু মদিনাৰ দক্ষিণ কবিলা বিলাকেও চামিল হৈছিল, আৰু ইহুদী সকলেও লগ দিছিল। এই সকলো বিলাক কবিলা মিলি মদিনাৰ ওপৰত আক্ৰমণ চলাবলৈ এটা শক্তিশালী বাহিনী গঠন কৰে। মক্কাৰ কুৰাইছ সকলে চাৰি হেজাৰ সৈন্যৰ এটা বাহিনী ছুফিয়ানৰ নেতৃত্বত মদিনালৈ গৈ পঠিয়াই দিয়ে। আৰোহী বাহিনীৰ নেতৃত্ব খালিদ বিন অলিদৰ হাতত আছিল। বনু ছুলায়েমৰ সাত শ মান লোক আহি কুৰাইছ্‌ সকলৰ লগত মিলিত হয় আৰু এওঁলোকৰ নায়ক আছিল ছুফিয়ান বিন আবদে স্বামছ। বনু আছিদ কবিলাৰ বাহিনী তালহা বিন খুয়েলিদৰ নেতৃত্বত মদিনা অভিমুখে যাত্ৰা কৰে। বনু ফুজ্জাৰৰ ফালৰ পৰা এহেজাৰ সৈন্যৰ এটা বাহিনী ওলাই আহে যাৰ নেতৃত্ব কৰিছিল আয়েইয়ানা। বনু আশজাই আৰু বনু মৰৰাহৰ ফালৰ পৰা চাৰিশকৈ সৈন্যৰ এটা এটা বাহিনী ওলাই আহে। আনফালে বনু গোথফানৰ ফালৰ পৰা ছয় হেজাৰ সৈন্য প্ৰেৰণৰ প্ৰতিশ্ৰুতি আছিল আৰু ইহুদী সকলৰ আছিল দুহেজাৰৰ বাহিনী। এনেদৰে বিভিন্ন কবিলাৰ ফালৰ পৰা প্ৰায় দহ

হেজাৰ আৰু কিছুমান ৰিৱায়ত অনুসৰি ২৪ হেজাৰ সৈন্য জমা হৈছিল। এই ডাঙৰ বাহিনীটোৰ প্ৰধান নায়ক আছিল আবু ছুফিয়ান বিন হৰাব। এই অভিযান আৰবত সেই সময়ৰ বাবে ইতিহাসত আটাইতকৈ ডাঙৰ অভিযান হিচাপে উল্লেখ কৰিছে।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৈছে যে যদি এই সৈন্য সংখ্যা দহ হেজাৰ আছিল বুলি মানি লোৱা হয় তথাপি যুগ হিচাপে এই সংখ্যা ইমান ডাঙৰ আছিল যে ইয়াৰ আগত আৰবত কোনো কবিলাই কোনো যুদ্ধত ইমান সংখ্যক সৈন্য চামিল কৰিব পৰা নাই। খাদ্য বস্তু আৰু যুদ্ধ সামগ্ৰী প্ৰচুৰ পৰিমাণে এই বাহিনীৰ লগত আছিল। এই সৈন্য দলটো পাঁচ হিজৰী অনুযায়ী ৬২৭ খৃষ্টাব্দৰ ফেব্ৰুৱাৰী অথবা মাৰ্চ মাহত মদিনাৰ ফালে যাত্ৰা আৰম্ভ কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে বিভিন্ন ইতিহাসবিদে এই সৈন্য সংখ্যা দহ হেজাৰৰ পৰা ২৪ হেজাৰ বুলি বৰ্ণনা কৰিছে। কিন্তু এয়া স্পষ্ট কথা যে গোটেই আৰবৰ সমাৱেশ কেৱল মাত্ৰ দহ হেজাৰ চিপাহী হ'ব নোৱাৰে। নিশ্চয় ২৪ হাজাৰৰ অনুমানেই ঠিক হ'ব। যিয়েই নহওঁক শত্ৰুৰ সৈন্য সংখ্যা ওঠৰ বিছ হেজাৰ অৱশ্যই আছিল। মদিনা এখন সাধাৰণ অঞ্চল আছিল, এই অঞ্চলটোৰ বিৰুদ্ধে গোটেই আৰব মিলি আক্ৰমণ কৰাটো সাধাৰণ কথা নাছিল। মদিনাৰ সকলো মানুহ অৰ্থাৎ ল'ৰা, বুঢ়া, ডেকা একেলগে গণনা কৰিলে মাত্ৰ তিনি হেজাৰ ওলাব। এই সংখ্যাৰ বিৰুদ্ধে শত্ৰু সংখ্যা বিছৰ পৰা ২৪ হেজাৰ আছিল আৰু ইয়াৰ সকলোৱে আছিল নিপুন যোদ্ধা।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ৰছুলুল্লাহ (ছাঃ)য়ে যেতিয়া কাফিৰ সকলৰ এই প্ৰস্তুতি সম্পৰ্কে গম পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে সিদ্ধান্ত লৈছিল যে মদিনাত সুমুৱাই অহা মুকলি ঠাইখিনিত দীঘলীয়া নলা খান্দি মদিনা সুৰক্ষিত কৰা যাওঁক। এই ঘটনাৰ বৰ্ণনাত লিখিছে যে আঁহজৰত (ছাঃ)ৰ গুপ্তচৰ বিভাগে কাফিৰ সকলৰ সকলো কাৰ্য সম্পৰ্কে অৱগত হৈছিল আৰু চাৰিও ফালৰ পৰা আঁহজৰত (ছাঃ)ক জনাই দিছিল।

যেতিয়া কুৰাইছ আৰু ইহুদী সকলৰ এই ভয়ানক পৰিকল্পনাৰ খবৰ মদিনা পাইছিল গৈ তেতিয়া আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক মতাই আনি একগোট কৰে আৰু সিহঁতক শত্ৰুৰ এই বেয়া পৰিকল্পনা সম্পৰ্কে অৱগত কৰে। তেতিয়া চাহাবা সকলে পৰামৰ্শ কৰিছিল যে কি কৰা যায়। মদিনাৰ পৰা ওলাই গৈ শত্ৰুক বাধা দিলে ভাল হ'ব নে মদিনাত থাকি শত্ৰুৰ মোকাবিলা কৰিলে ঠিক হ'ব? ৰিৱায়ত অনুযায়ী হজৰত ছলমান (ৰাঃ)য়ে এয়া পৰামৰ্শ আগবঢ়াইছিল যে মই পাৰস্যৰ ভূমিত যেতিয়া অশ্বাৰোহীৰ দলে দৌৰিছিল তেতিয়া সিহঁতৰ গাঁত খন্দাই দিছিলো। এই অভিমত সকলোৱে পছন্দ হৈছিল আৰু আঁহজৰত (ছাঃ)য়ে মদিনাত অৱস্থান কৰি শত্ৰুক প্ৰতিৰোধ কৰাৰ আৰু নলা খান্দি দিয়াৰ মত প্ৰকাশ কৰে। কিছুমান জীৱনীমূলক কিতাপৰ পৰা গম পোৱা যায় এই নলা খন্দাৰ পৰামৰ্শ কেৱল হজৰত ছলমান ফাৰ্চীয়ে দিয়া নাছিল বৰং আল্লাহ তা'লা ইলহামান নবী কৰিম (ছাঃ)কও এই পদ্ধতি জনাই দিছিল কাৰণ আৰবৰ বাবে এয়া এক নতুন পদ্ধতি উদ্ধাৱন হৈছিল।

এই সম্পৰ্কে এয়াও উল্লেখ আছে যে যেতিয়া কাফিৰৰ সৈন্যই নলা পাৰ হৈ অহাত অক্ষম হৈ পৰিছিল তেতিয়া আবু ছুফিয়ানে ৰছুলুল্লাহ (ছাঃ)লৈ পত্ৰ প্ৰেৰণ কৰিছিল য'ত লাত আৰু উজ্জা আদি মূৰ্তিৰ বিষয়ে উল্লেখ কৰি লিখিছিল যে তোমালোকে নলা খান্দি যুদ্ধৰ পৰা আঁতৰি আছা। উক্ত পত্ৰৰ উত্তৰত আঁহজৰত (ছাঃ)য়ে আবু ছুফিয়ানলৈ লিখিছিল যে তুমি প্ৰেৰণ কৰা পত্ৰ মই পাইছো আৰু মই জানো যে তোমালোকে আল্লাহ তা'লাৰ বিৰুদ্ধে অহংকাৰত ডুব গৈছা আৰু এয়া তুমি যি শক্তিশালী ফৌজৰ সৈতে মদিনা আক্ৰমণৰ কথা উল্লেখ কৰিছা, য'ত তুমি আমাক ধ্বংস কৰি পেলোৱাৰ সাহস গোটাইছা, তাতে এয়া আল্লাহ তা'লাৰ আদেশ, যিয়ে তোমালোকৰ নাপাক মনোবাঞ্ছা অসফল কৰি দিছে আৰু সি এনেকুৱা সিদ্ধান্ত ল'ব যে তোমালোকৰ লাত আৰু উজ্জাৰ নাম

তোমালোকে পাহৰি যাবা। যি তুমি প্ৰশ্ন কৰিছা যে নলা খন্দাৰ পৰামৰ্শ মোক কোনে দিছে? এই পদ্ধতি মোক আল্লাহ্ তা'লা ইলহামান জনাইছে। মনত ৰাখিবা! অৱশেষত আল্লাহ্ তা'লা আমাক বিজয় দান কৰিব। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আঁহজৰত (ছাঃ)ৰ এই পত্ৰৰ দ্বাৰা স্পষ্ট হয় যে হঠাতে ছলমান ফাৰ্চী (ৰাঃ)য়ে হয়তো এই পৰামৰ্শ দিছিল। কিন্তু ইয়াৰ ওপৰত আমল কৰাৰ আদেশ আঁহজৰত (ছাঃ)ক ইলহামান দিয়া হৈছিল।

এই বৰ্ণনাৰ ধাৰাবাহিকতা আগলৈ চলিব বুলি উল্লেখ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে পাকিস্তানৰ পৰিস্থিতি সম্পৰ্কে দোৱাৰ তেহেৰিক কৰি কয় যে বৰ্তমানে পাকিস্তানৰ আহমদী সকলৰ বাবে বিশেষ ভাৱে দোৱা কৰিব। পাকিস্তানৰ বসবাস কৰা আহমদী সকলে নিজেও দোৱাৰ প্ৰতি মনোযোগ দিব লাগিব। ছাদকা কৰিব। আল্লাহ্ তা'লা সিহঁতক নিৰাপত্তা দান কৰক। বিৰুদ্ধবাদীৰ আক্ৰমণৰ পৰা সিহঁতক ৰক্ষা কৰক; আৰু চয়তানৰ চয়তানী চয়তান সকলৰ ওপৰত ওলটি পৰক। সাধাৰণ ভাৱে বিশ্বৰ শান্তিৰ অনুকূলে আপোনালোকে দোৱা কৰিব যাতে আল্লাহ্ তা'লা বিশ্বখনক বিবাদ মুক্ত কৰি ৰাখে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَاللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 6 SEP 2024**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................


NASHOR-O ISHAATQADIAN, DIST GURDASPUR,143516 PUNJAB

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা